# সময় বহ্নিমান

মোক এটা নীলা ৰঙৰ কলম দিয়া
লিখিব খুজিও যে মই লিখিব পৰা নাই
কেৱল তেজৰ ৰঙেই দেখোন মোৰ লিখনিত ওলায়

মোক মাত্ৰ এখন উকা কাগজ দিয়া
সকলো কাগজতেই দেখোন লিখা আছে অজস্ৰ মিথ্যাচাৰ
মাথোঁ হত্যা আৰু ধৰ্ষ  ণৰকথা
সমাজৰ সৰু সৰু মানুহক লাঞ্ছিত কৰাৰ কথা ।

মোক এখন ৰাজসভা দিয়া
নালাগে থাকিব তাত শকুনি, দুঃশাসন
নহ'ব তাত দ্ৰৌপদীৰ বস্ত্ৰহৰণ
নতুবা পাশাখেলৰ পয়োভৰ
থাকিব মাথোঁ তাত সৰু সৰু মানুহৰ কথা, সত্য প্ৰতিষ্ঠাৰ কথা।

মোক মাথোঁ আৰু এখন কুৰুক্ষেত্ৰ দিয়া
এই সত্য প্ৰতিষ্ঠাৰ যুদ্ধখন
মোৰ  চোতাললৈ লৈ আহা
যুজিব লাগিব দানৱৰূপী
নাৰায়ণী শত্ৰুৰ লগত।

সময় যে তাকৰ,
সময় বহ্নিমান,
সময় যে বহ্নিমান ।।।

।।ৰমণীধৰ বৰুৱা।।